## ভিয়েনা কংগ্রেছৰ সমালোচনা (Criticism of the Congress of Vienna) :

ভিয়েনা কংগ্রেছখন নামতহে কংগ্রেছ বা সন্মিলন আছিল। Riker-ৰ মতে (A short History of Modern Europe)– "in fact, strictly speaking there was no Congress at all." তেওঁৰ মতে, পাঁচখন বৃহৎ ৰাজ্যৰ পাঁচজন বৈদেশিক মন্ত্রীয়েই আছিল ভিয়েনা কংগ্রেছ। এই পাঁচখন ৰাজ্যই গোপন বৈঠকত ভিয়েনা কংগ্রেছৰ নীতি নির্ধাৰণ কৰিছিল - "everything arranged outside in special committees and in the intimate interviews of sovereings and diplomats (Hazen–page 4)। বিভিন্ন ৰাজ্যৰ প্ৰতিনিধিবৰ্গক সমমৰ্যাদা দিয়াৰ গণতান্ত্ৰিক নীতিয়ে ভিয়েনা কংগ্ৰেছত স্বীকৃতি পোৱা নাছিল। ভিয়েনা কংগ্রেছখন সকলো দোষৰ উৰ্ধ্বত থকা এখন আন্তর্জাতিক সন্মিলন আছিল বুলি ক'ব নোৱাৰি। ভিয়েনা কংগ্রেছে কৰা কামখিনিৰ ভিতৰত বেছিভাগেই স্থায়ী হৈ নাথাকিল। বুৰঞ্জীবিদ Hayes-ৰ ভাষাত– "In all these territorial re-adjustments, there was little that was permanent and much that was temporary." উদাহৰণস্বৰূপে, হলেণ্ড আৰু বেলজিয়ামৰ একত্ৰীকৰণ মাত্ৰ পোন্ধৰ বছৰহে কাৰ্যকৰী হৈ থাকিল। ইটালী আৰু জাৰ্মানীৰ বন্দবস্ত পঞ্চাশ বছৰ স্থায়ী হৈ থাকিল। পোলেণ্ডৰ ক্ষেত্ৰত কৰা বন্দবস্ত এটা শতিকাও স্থায়ী হৈ নাথাকিল। কনটিনেণ্টেল ছিষ্টেম নমনাৰ কাৰণে নেপোলিয়নে হলেণ্ড জয় কৰি লৈছিল। কিন্তু হলেণ্ডৰ সৈতে বেলজিয়ামৰ ভালেখিনি কথাত পাৰ্থক্য আছিল আৰু সেই কাৰণে বেলজিয়ামক হলেণ্ডৰ সৈতে লগ লগোৱাটো যুক্তিসঙ্গত হোৱা নাছিল। কাৰণ হলেণ্ড আছিল গণতান্ত্ৰিক আৰু প্ৰটেষ্টাণ্ট ৰাষ্ট্ৰ। ইয়াৰ অধিবাসীসকল আছিল টিউটনিক জাতিৰ। ইফালে, বেলজিয়াম আছিল এখন সংৰক্ষণশীল কেথলিক ৰাজ্য। ইয়াৰ অধিবাসীসকলৰ সৰহ সংখ্যকেই ফৰাচী ভাষা কৈছিল। গতিকেই বেলজিয়ামে হলেণ্ডৰ নেতৃত্ব মানি নচলি ১৮৩০ চনত বিদ্ৰোহ কৰিলে আৰু বিদ্ৰোহৰ ফলস্বৰূপে স্বাধীনতা লাভ কৰিলে। ১৯১৭ চনত ৰাছিয়া আৰু ফিনলেণ্ডৰ একত্ৰীকৰণ আৰু ১৯০৫ চনত চুইডেন আৰু নৰৱেৰ একত্ৰীকৰণ ভঙ্গ হ'ল। জাৰ্মানীৰ কনফেডাৰেশ্যনখন ভঙ্গ হৈ গ'ল। তেনেদৰে ইটালীৰ ক্ষেত্ৰত ভিয়েনা কংগ্ৰেছে কৰা বন্দবস্তবোৰৰ কাভুৰে বিলুপ্তি সাধন কৰিলে। অৱশ্যে এই ক্ষেত্ৰত D. M. Ketelbey-য়ে মন্তব্য কৰি কৈছে যে যদিও কংগ্ৰেছে পোলেণ্ডৰ

ভিয়েনা কংগ্ৰেছৰ দোষ-ত্ৰুটি

আশা-আকাংক্ষা পূৰণ কৰিব নোৱাৰিলে, যদিও এই কংগ্ৰেছে বেলজিয়ামৰ জনগণক অৱজ্ঞা কৰি বেলজিয়ামক হলেণ্ডৰ সৈতে সাঙুৰি দিলে আৰু যদিও সেইদৰে নৰৱেকো এখন অবাঞ্ছিত লগৰীয়াৰ লগ লগাই দিলে আৰু ইটালীতো অনৈক্য মাতি অনাৰ লগতে জাৰ্মানীতো কোনো ধৰণৰ স্থায়ী বন্দৱস্ত কৰিব নোৱাৰিলে তথাপি ভিয়েনা কংগ্ৰেছে ৰাজনৈতিক প্ৰজ্ঞা আৰু পৰিমিতাচাৰ প্ৰদৰ্শন কৰিছিল আৰু ভৱিষ্যতত কেনেদৰে ইউৰোপক গঠন কৰিব লাগিব তাৰ এটা চানেকী দিছিল। ভিয়েনা কংগ্ৰেছে অন্ততঃ চল্লিশ বছৰৰ কাৰণে আন্তৰ্জাতিক স্থিৰতা ৰক্ষা কৰিব পাৰিছিল। Seaman-ৰ মতে ভিয়েনা কংগ্ৰেছৰ চৰ্তসমূহত বৃহৎ শক্তিবোৰৰ মাজত যুদ্ধ সংঘটিত হোৱাৰ বীজ অন্তৰ্নিহিত হৈ থকা নাছিল। সেই কাৰণে ভিয়েনা কংগ্ৰেছ ইউট্ৰেখ্ট বা ভাচাই সন্ধিতকৈ শ্ৰেষ্ঠ আছিল।

ভিয়েনা কংগ্ৰেছে জাতীয়তাবাদক সম্পূৰ্ণভাৱে উপেক্ষা কৰিছিল বুলি সমালোচনা কৰা হয়। দেশসমূহৰ জনগণৰ ইচ্ছা-আকাংক্ষাই ভিয়েনা কংগ্ৰেছত স্থান পোৱা নাছিল। আনহাতে, ভিয়েনা কংগ্ৰেছত সমবেত হোৱা ৰাজনীতিজ্ঞসকলৰ স্বাৰ্থপৰতাহে বেছিকৈ প্ৰকাশ পাইছিল। সেই কাৰণেই Hayes-য়ে কৈছে – "Vienna settlement was defective in so far as the people were regarded as so many pawns in the game of dynastic aggrandizement." ভিয়েনা কংগ্ৰেছে জাৰ্মানীৰ ক্ষুদ্ৰ ৰাজ্যবোৰক বৃহৎ জাৰ্মান ৰাজ্যবোৰৰ অধীনৰপৰা মুক্ত নকৰিলে; বৰঞ্চ জাৰ্মানীত এখন কনফেডাৰেশ্যনৰ সভাপতি পাতিলে। ইয়াৰদ্বাৰা দেখাদেখিকৈ জাতীয়তাবাদৰ অৱমাননা কৰা হ'ল। হলেণ্ড আৰু বেলজিয়াম বিপ্লৱী যুদ্ধৰ সময়ত ফ্ৰান্সৰে অন্তৰ্ভুক্ত হৈছিল। ফ্ৰান্সৰ ভৱিষ্যতলৈ প্ৰতিৰোধ কৰাৰ উদ্দেশ্যেৰে ভিয়েনা কংগ্ৰেছে হলেণ্ড আৰু বেলজিয়ামক একেলগ কৰি হলেণ্ডক অৰেঞ্জৰ পৰিয়ালৰ অধীনত স্থাপন কৰিছিল। ইয়াৰ দ্বাৰা বেলজিয়ামৰ জাতীয়তাবাদক উপেক্ষা কৰা হৈছিল। কাৰণ হলেণ্ডৰ সৈতে ভালেমান ক্ষেত্ৰত বেলজিয়ামৰ ভিন্নতা আছিল। জাতি, ধৰ্ম আৰু ঐতিহাসিক বিবৰ্তনৰ ধাৰাক উপেক্ষা কৰি নৰৱে'ক চুইডেনৰ অধীনত স্থাপন কৰাটোও সমীচীন হোৱা নাছিল। ইয়াৰদ্বাৰাও জাতীয়তাবাদৰ অৱমাননা কৰা হৈছিল; সেইদৰে ইটালীত গঢ় লৈ উঠা জাতীয়তাবাদৰ প্ৰতিও ভিয়েনা কংগ্ৰেছে কোনো গুৰুত্ব আৰোপ নকৰিলে। নেপোলিয়নৰ সাম্ৰাজ্যৰ অধীনত থকাৰ কাৰণে আৰু ফৰাচী বিপ্লৱৰ দ্বাৰা অধিকভাৱে প্ৰভাৱান্বিত হোৱাৰ ফলত ইটালীত প্ৰকটভাৱে জাতীয়তাবাদৰ সৃষ্টি হৈছিল। তথাপি ভিয়েনা

জাতীয়তাবাদ উপেক্ষিত

কংগ্ৰেছে জেনোৱা আৰু ভেনিচৰ পুনৰ গঠন নকৰা কাৰ্যক যুক্তিসঙ্গত আছিল বুলি ক'ব নোৱাৰি। ফ্ৰান্সে যাতে ভৱিষ্যতে সহজতে আক্ৰমণাত্মক নীতি গ্ৰহণ কৰিব নোৱাৰে তাৰ কাৰণে সীমান্তৱৰ্তী ৰাজ্য চাৰ্ডিনিয়াৰ সৈতে জেনোৱাক লগ লগাই দিয়া হৈছিল। ইফালে, অষ্ট্ৰিয়াৰ অধীনস্থ বেলজিয়ামক হলেণ্ডৰ অধীনলৈ নিয়াত অষ্ট্ৰিয়াৰ যি ক্ষতি হ'ল সেই ক্ষতি পূৰণৰ কাৰণে ভেনিচ আৰু ডালমেচিয়া অষ্ট্ৰিয়াক দিয়া হ'ল। এইদৰেও জাতীয়তাবাদৰ উপেক্ষা কৰা হ'ল। আনহাতে, ন্যায্য অধিকাৰ নীতিও (legitimacy) ভিয়েনা কংগ্ৰেছে সফলভাৱে প্ৰয়োগ কৰিব পৰা নাছিল। Harzen-ৰ মতে ভিয়েনা কংগ্ৰেছখন আছিল এৰিষ্টক্ৰেটসকলৰদ্বাৰা গঠিত। এওঁলোকৰ কাৰণে ফৰাচী বিপ্লৱে সৃষ্টি কৰা গণতান্ত্ৰিক জাতীয়তাবাদী চিন্তা অবোধ্য আৰু ঘৃণিত আছিল। বিপ্লৱৰ দান গণতন্ত্ৰ আৰু জাতীয়তাবাদৰ বিৰোধিতা কৰি ভিয়েনা কংগ্ৰেছে ঐতিহাসিক সোঁতৰ বিৰুদ্ধে গৈছিল। বিপ্লৱৰ আগৰ স্থিতাৱস্থা (Statusquo) ঘূৰাই আনিবলৈ গৈ ভিয়েনা-কংগ্ৰেছে অদূৰদৰ্শিতাৰ পৰিচয় দিছিল। ৰাজনৈতিক প্ৰগতিৰ দুৱাৰ বন্ধ কৰিবলৈ গৈ ভিয়েনা কংগ্ৰেছে মৃতপ্ৰায় স্বৈৰাচাৰী শাসন কাৰ্যক পুনৰ ঘূৰাই আনিবলৈ যত্ন কৰিছিল। অন্যৰ ৰাজ্য আত্মসাৎ কৰিবলৈ গৈ ভিয়েনা কংগ্ৰেছে স্বাৰ্থপৰতাৰ পৰিচয় দিছিল। ভিয়েনা কংগ্ৰেছে শক্তিৰ ভাৰসাম্য নীতি আৰু বংশগত স্বাৰ্থৰক্ষাৰ নীতি গ্ৰহণ কৰি যুগধৰ্মৰ বিৰুদ্ধে গৈছিল। ঊনৈশ শতিকাত অষ্টাদশ শতিকাৰ চিন্তাধাৰাৰে কাম কৰিবলৈ গৈ, মেৰিয়টৰ (Marriot) মতে, ভিয়েনা কংগ্ৰেছে ১৮ শ শতিকাৰ আওপুৰণি চিন্তাধাৰা – যেনে শক্তিৰ ভাৰসাম্য আৰু বংশগত স্বাৰ্থৰক্ষা আদিলৈ উলটি গৈছিল। গতিকে স্বাভাৱিকতে এই চুক্তি ঊনৈশ শতিকাত প্ৰযোজ্য হোৱা নাছিল আৰু এই চুক্তি বেছিদিন স্থায়ীও হোৱা নাছিল। "As such it could have only limited applicability and longevity in faster moving world of the nineteenth century." (David Thompson -- Europe Since Napoleon, p.73) । ভিয়েনা কংগ্ৰেছত গোট খোৱা প্ৰতিনিধিবৰ্গ ফ্ৰান্সৰ প্ৰতি ভীতিগ্ৰস্ত হৈ ফ্ৰান্সক পৰিবেষ্টন কৰিছিল। কিন্তু এই কাম কৰিবলৈ গৈ কংগ্ৰেছে ভালেমান অনৈতিক, অন্যায়মূলক আৰু অদূৰদৰ্শী নীতি গ্ৰহণ কৰি পেলাইছিল। গতিকে ভিয়েনা কংগ্ৰেছেই প্ৰতিক্ৰিয়াশীল চিন্তাধাৰাৰ ভেটি স্থাপন কৰিছিল বুলি ক'ব পাৰি। ভিয়েনা কংগ্ৰেছত সমবেত হোৱা প্ৰতিনিধিবৰ্গই

স্থিতাৱস্থা ঘূৰাই অনাৰ প্ৰচেষ্টা-অদূৰদৰ্শিতাৰ পৰিচায়ক

যুগধৰ্মৰ বিৰোধী চিন্তা

ফ্ৰান্সৰ পৰিবেষ্টিত

কূটনৈতিক জ্ঞান আছিল গতানুগতিক। তেওঁলোক স্বাৰ্থপৰো আছিল। গতিকে ভিয়েনা সম্মিলনিত প্ৰতিনিধিবৰ্গৰ স্বাৰ্থপৰতা স্পষ্টভাৱে প্ৰকাশ পাইছিল। স্বাৰ্থপৰতাৰদ্বাৰা অন্ধ হৈ প্ৰতিনিধিবৰ্গই ক্ৰমাৎ গঢ় লৈ উঠা জাতীয়তাবাদী ভাবধাৰা আৰু নতুন চেতনা উপলব্ধি কৰিব পৰা নাছিল। ভিয়েনা কংগ্ৰেছে এটা যুক্তিসম্মত ৰাষ্ট্ৰ ব্যৱস্থা গঠন কৰিছিল যদিও (David Thompson)-ৰ মতে এই কংগ্ৰেছৰ প্ৰধান দোষ আছিল যে জাতীয়তাবাদী চিন্তাৰ প্ৰভাৱ যে কিমান সুদূৰপ্ৰসাৰী সেই কথা এই কংগ্ৰেছে বিবেচনা কৰিব পৰা নাছিল। নৰৱে, বেলজিয়াম, ফিনলেণ্ড আদি ঠাইৰ জনসাধাৰণৰ ইচ্ছাৰ বিৰুদ্ধে গৈ ইউৰোপৰ ৰাজনৈতিক নিৰাপত্তাৰ কাৰণে ভিয়েনা কংগ্ৰেছে সেইবোৰ অন্য ৰাজ্যৰ সৈতে লগ লগাই দিছিল।

জাতীয়তাবোধ আৰু নতুন চেতনাৰ উপলব্ধিৰ অভাৱ-অৰ্থনৈতিক সমস্যাৰ প্ৰতি উদাসীন

ভিয়েনা কংগ্ৰেছত, বন্দৰস্তবোৰ কৰিবৰ সময়ত ৰাজনৈতিক ক্ষমতা, সামৰিক সুবিধা, ৰাজবংশৰ অধিকাৰ আদিক অৰ্থনৈতিক চিন্তা বা জাতীয়তাবাদৰ চিন্তাতকৈ অগ্ৰাধিকাৰ দিছিল। ফৰাচী বিপ্লৱৰ ফলশ্ৰুতি হিচাপে যি যুদ্ধ আৰম্ভ হৈছিল তাৰ ফলত ইউৰোপত অৰ্থনৈতিক সমস্যাই দেখা দিছিল। কিন্তু ভিয়েনা সম্মিলন সেই অৰ্থনৈতিক সমস্যাৰ প্ৰতি উদাসীন হৈ থাকিল। কিন্তু ভিয়েনা কংগ্ৰেছ সৰ্বাধিক সমালোচনাৰ বলি হ'লেও এই কংগ্ৰেছৰ সপক্ষেও ভালেমান যুক্তি আছিল। ভিয়েনা কংগ্ৰেছে জাতীয়তাবাদক উপেক্ষা কৰিছিল যদিও শান্তি স্থাপনৰ কাৰণে আন্তৰ্জাতিক প্ৰচেষ্টাৰ ভেটি বান্ধি দিছিল। গতিকে ভিয়েনা কংগ্ৰেছতেই আন্তৰ্জাতিকতাৰ সৰ্বপ্ৰথম সূত্ৰপাত হৈছিল বুলি ক'ব পাৰি। ভিয়েনা কংগ্ৰেছে সূত্ৰপাত কৰা আন্তৰ্জাতিক অনুষ্ঠানৰদ্বাৰা শান্তি ৰক্ষাৰ প্ৰচেষ্টাৰ এই ধাৰাবাহিকতা ৰক্ষা কৰিয়েই লীগ্ অব নেছনছ (League of Nations), ইউনাইটেড নেছনছ অৰ্গেনাইজেশ্যান (U.N.O.) আদিৰ জন্ম হৈছিল। ভিয়েনা কংগ্ৰেছে সন্মুখীন হোৱা সমস্যাবোৰ ইমান জটিল আৰু কঠিন আছিল যে সেইবোৰ সমাধান কৰাও সহজ নাছিল। তদুপৰি ইউৰোপৰ ৰাজ্যবোৰে একগোট হৈ নেপোলিয়নৰ বিৰুদ্ধে নিজৰ ভিতৰতে কিছুমান চুক্তি স্বাক্ষৰ কৰি লৈছিল। সেই চুক্তিবোৰে ভিয়েনা কংগ্ৰেছৰ কৰ্মপন্থাক বহু পৰিমাণে নিয়ন্ত্ৰণ কৰিছিল। উদাহৰণস্বৰূপে, "আৰো"ৰ

আন্তৰ্জাতিক অনুষ্ঠানৰ সূত্ৰপাত

সমস্যাৰ জটিলতা পূৰ্বৰ চুক্তিৰ প্ৰতিবন্ধকতা

সন্ধিৰদ্বাৰা চুইডেনক নৰৱে দিয়াৰ প্ৰতিশ্ৰুতি আগতেই দিয়া হৈছিল। সেইদৰে পূৰ্বৰ কালিচক্ চুক্তি, ৰাইচেনবেক চুক্তি, "টোপলিজ"ৰ চুক্তিয়ে ভিয়েনা কংগ্ৰেজৰ কৰ্মপন্থা নিয়ন্ত্ৰিত কৰিছিল। কিন্তু ভিয়েনা সন্মিলনৰ আটাইতকৈ ডাঙৰ গুণ আছিল যে অন্ততঃ চল্লিশ বছৰৰ কাৰণে এই সন্মিলনে ইউৰোপত যুদ্ধ নোহোৱাকৈ ৰাখিব পৰিছিল। ভিয়েনা কংগ্ৰেছত সমবেত হোৱা প্ৰতিনিধিবৰ্গই চিৰকাল স্থায়ী হোৱাকৈ এটা ৰাজনৈতিক ব্যৱস্থা স্থাপন কৰিব বুলি ভবাটোও ভুল। কাৰণ চল্লিশ বছৰতকৈ অধিক কাল তিষ্ঠি থকা আন্তৰ্জাতিক ব্যৱস্থাৰ দৃষ্টান্ত ইতিহাসত বিৰল। Ketelbey-য়ে সঠিকভাৱেই কৈছে, " It is, however, given to few congresses to legislate for a century while that of Vienna can at least claim to have in auqurated forty years of peace." গতিকে ১৮১৫ চনত ভিয়েনা কংগ্ৰেছৰ প্ৰতিনিধিবৰ্গই যিটো পৰিস্থিতিত কাম কৰিবলগীয়া হৈছিল সেইটো বিচাৰ কৰিলে দেখা যায় যে কোনো কোনো ক্ষেত্ৰত ভিয়েনা কংগ্ৰেছৰ প্ৰতি কৰা সমালোচনা বৰ কঠোৰ হৈছিল।

চল্লিশ বছৰৰ কাৰণে শান্তি প্ৰতিষ্ঠা